# ECHO OF HIS CALL

ASSAMESE

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

India's National Spiritual Newspaper

₹ 10/-

REACHING NATIONS

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIV | OCTOBER 2023 | No. 04


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক!

**হিতোপদেশ ২৪ ঃ ১-১০**

১। দুষ্টলোকক ঈৰ্ষা নকৰিবা, নাইবা তেওঁলোকৰ লগত থাকিবলৈ ইচ্ছা নকৰিবা;

২। কাৰণ তেওঁলোকৰ হৃদয়ে অত্যাচাৰৰ চক্ৰান্ত কৰে, আৰু তেওঁলোকৰ ওঁঠে সমস্যা কথা কয়।

৩। প্ৰজ্ঞাৰ দ্বাৰাই ঘৰ নিৰ্মাণ হয়, আৰু বিবেচনাৰ দ্বাৰাই ঘৰ সংস্থাপন হয়।

৪। জ্ঞানৰ দ্বাৰাই কোঁঠালিবোৰ পৰিপূৰ্ণ হয়, লগতে সকলো বহুমূল্য আৰু আনন্দদায়ক বস্তুৰে পৰিপূৰ্ণ হয়।

৫। সাহসী লোক বলৱান হয়, কিন্তু বলৱান লোকতকৈ জ্ঞানী লোক ভাল।

৬। সুপৰামৰ্শৰ দ্বাৰাই তুমি তোমাৰ যুদ্ধ আৰম্ভ কৰিব পাৰা, আৰু বহুতো উপদেষ্টাৰ সৈতে জয় লাভ হয়।

৭। অজ্ঞানী লোকৰ বাবে প্ৰজ্ঞা অতি উচ্চ বিষয়; আৰু দুৱাৰত তেওঁ কথা কয়।

৮। তাত আমাৰ এজন দুষ্ট কাৰ্য কল্পনা কৰা লোক আছে, লোকসকলে তেওঁক পৰিকল্পনাৰ পৰিচালক বুলি কয়।

৯। জ্ঞানহীন আঁচনি পাপ, আৰু নিন্দক লোকক মানুহে ঘৃণা কৰে।

১০। সমস্যাৰ দিনত যদি তোমাৰ ভীৰুতা দেখুওৱা, তেনেহ'লে তুমি নিশকতীয়া।

১১। মত্যলৈ লৈ যোৱা লোকসকলক ৰক্ষা কৰা।

## আপুনি ঐশ্বৰিকভাৱে অসাধাৰণ কাৰ্যবিলাকক সম্পন্ন কৰাৰ বাবে নিমন্ত্ৰিত হৈছে।

You are divinely summoned to accomplish extra-ordinary deeds!



**পালক এঞ্জেলিনা ছেলভাকুমাৰী**

দানিয়েলে ১১ঃ৩২ পদত ঈশ্বৰে আমাক সোঁৰৱাই দি কয় তেওঁ আমাক সাধাৰণ জীৱনৰ বাবে নিমন্ত্ৰণ বা সৃষ্টি কৰা নাই।

"আৰু খোচামতি বাক্যৰ দ্বাৰাই তেওঁ নিয়ম লঙ্ঘনকাৰীবোৰক ভ্ৰষ্ট কৰিব; কিন্তু যি প্ৰজাবিলাকে নিজ ঈশ্বৰক জানে, তেওঁবিলাক বলৱন্ত হৈ কৃতকাৰ্য হ'ব (প্ৰতিৰোধ কৰিবলৈ)" দানিয়েল ১১ঃ৩২।

তেওঁ তেওঁৰ লোকবিলাকক তেওঁলোকৰ কৰ্মৰ দ্বাৰাই তেওঁলোকৰ শক্তিক (বিশ্বাসক) প্ৰদৰ্শন কৰাৰ দ্বাৰাই যি কোনো প্ৰত্যাহবানযুক্ত পৰিস্থিতিক প্ৰতিৰোধ কৰি বা সাহেৰে সন্মুখীন হৈ আত্মিকভাৱে পৰিপক্ক হোৱাটো বিচাৰে।

যীচুৱে জানিছিল যে সাধাৰণ মাধ্যমেৰে অসাধাৰণ বিশ্বাসক লাভ কৰাটো সম্ভৱ নহয়, সেই গতিকে তেওঁ আমালৈ পবিত্ৰ আত্মাক দিবলৈ প্ৰতিশ্ৰুতি দিছিল, যিজনে আমাক আমাৰ শক্তিক (বিশ্বাসক) প্ৰদৰ্শন কৰাত শক্তি দিব।

৩ পৃষ্ঠাত চাওঁক


ইখ অফ হীজ কল



## ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে

প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**CHIEF EDITOR**

Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**

Bro. N. Prakasam, M.A., General Manager
Dr. Rabinder Boaz, M.S.
Bro. K. Puratchivendan

**EDITORIAL BOARD**

Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Dr. A. Richard Samuel, M.A., Ph.D.
Sis. Sajini Cherian
Rev. Dr. K.R. Rajasekaran



**EDITOR, PUBLISHER & PRINTER**

Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

**E.mail ID**

sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**

www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**

Echo of His Call


"ঈশ্বৰে এবাৰ ক'লে,
মই ইয়াক দুবাৰ শুনিলো"
যে পৰাক্ৰম ঈশ্বৰৰহে।"
(গীতমালাঃ ৬২ঃ১১)

প্ৰভুত মোৰ প্ৰিয় লোকসকল!

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ অতুলনীয় নামত আপোনালোকলৈ শুভেচ্ছা জনালো।



Dr. A. Richard Samuel

আমি এইটো জনাওতে দুঃখিত হৈছে যে ৩০ আগষ্ট ২০২৩ তাৰিখে আমাৰ প্ৰিয় ভাই ডাক্তৰ এ, ৰিচাৰ্ড চামুৱেল, এম, এ, পিএইচ, ডি, ইংৰাজী আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ সহঃসম্পাদকজন স্বৰ্গীয় হ'ল। অলপ আগতে তেওঁৰ দীঘলীয়া পৰিচৰ্য্যাত সময়ত তেওঁ তেওঁৰ লিখা, প্ৰচাৰ আৰু পৰামৰ্শৰ যোগেদি সহায় কৰিছিল। অনুগ্ৰহ কৰি তেওঁৰ ভাৰ্য্যা, সন্তান আৰু নাতি সন্তানসকলৰ এই কঠিন সময়ত প্ৰাৰ্থনাৰে সহায় কৰক।

২ তীমথিয় ৪ঃ২ পদটিৰ মতে, তুমি বাক্য ঘোষণা কৰা, সময়ত আৰু অসময়তো উৎসাহী হোৱা; আমি বিভিন্ন মাধ্যমেৰে ঈশ্বৰৰ বাক্যক প্ৰচাৰ কৰিবলৈ প্ৰয়াস কৰি আছোঃ

- বিভিন্ন ভাষাত গীৰ্জা উপাসনা চলাই আছো
- ১৬ টা ভাষাত আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনী পাব্লিচ কৰি আছো।
- তামিল, ইংৰাজী আৰু হিন্দী এই তিনিটা ভাষাত ডাক বাইবেল পাঠ্যক্ৰম (বিব্লেকৰ) দিয়া হয়।
- তামিল আৰু ইংৰাজী ভাষাত দুৰৱৰ্তী শিক্ষাৰ মাধ্যমেৰে থিয়লজীকেল যোগাযোগ পাঠ্যক্ৰম যোগোৱা হৈছে।
- হিন্দী আৰু তামিল ভাষাত তিনিখন বাইবেল কলেজঃ নহিমিয়া বাইবেল কলেজ (বাসগৃহ আৰু সন্ধ্যা) আৰম্ভ কৰা হৈছে।
- ছেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুল (গ্ৰাম্য উচ্চ মাধ্যমিক ইয়াত ইংৰাজী মাধ্যমত পাঠদান কৰা হয়)
- ১৬ টা ভাষাত উচ্চ গতিত ছপা কৰিব পৰা এখন আধুনিক ছপাশাল চলায় থকা হৈছে।
- দৰিদ্ৰ বিলাকৰ বাবে সামাজিক উন্নয়ন কাৰ্য্যসূচী চলোৱা হৈছে।
- বিভিন্ন ভাষাত জাগৰণ সভাৰ আয়োজন কৰা হৈছে।
- ইখ অফ হীজ ক'ল নামৰ ইউ টিউব চেনেল এখন চলোৱা হৈ আছে, য'ত তামিল, ইংৰাজী, তেলেগু আৰু হিন্দী ভাষাত চলোৱা হয়।

আমি ধনাত্মকভাৱে ফলসমূহ পায় আছো, আমি প্ৰভুক তেওঁৰ অনুগ্ৰহৰ বাবে, তেওঁলৈ মহিমা আগবঢ়াইছো। আমাৰ পৰিচৰ্য্যাৰ সমৰ্থন জনোৱা লোকসকলক আমি আমাৰ কৃতজ্ঞ আগবঢ়াইছো।

### ইউ টিউব পৰিচৰ্য্যাৰ বৃদ্ধি

যে আমি আধুনিক প্ৰযুক্তিগত আৱিস্কাৰৰ বস্তুবোৰ যেনে-টেলিভিশ্বন, ইণ্টাৰনেট, ম'বাইল ফোন আৰু ইউ-টিউব ব্যৱহাৰ কৰাটো উচিত নহয়। আমিও এই একেধৰণৰ দৃষ্টিভঙ্গীক মানি আছিলো। যি কি নহওক,

এই কেইটা বছৰৰ ভিতৰত, সাধাৰণ মানুহে পৰম্পৰাগত বাতৰি উৎসবোৰ যেনে-বাতৰি কাকত, ৰেডিঅ আৰু কিতাপবোৰত তেওঁলোকৰ নিৰ্ভৰতা হ্ৰাস পাইছে। তেওঁলোকে ব্যক্তিগতভাৱে কমকৈ আত্মিক সভাবিলাকত যোগদান কৰে কিন্তু কিছুমানে অনলাইনত আত্মিক উপাসনাবিলাকত অংশগ্ৰহণ কৰে।

## ম'বাইল বা চেল ফোন

যিকোনো বয়সৰ লোক, শিশুৰ পৰা প্ৰাপ্তবয়স্ক আৰু বৃদ্ধলোক, তেওঁলোকৰ আৰ্থিক মৰ্যদা নিৰ্বিশেষে, এতিয়া এটা বা তাতোতকৈ অধিকম'বাইল ফোন লৈছে। প্ৰতিটো ম'বাইল ফোনত প্ৰায় একাধিক চিম কাৰ্ড থাকে। বিশ্বব্যাপী, এনে ধৰণৰ ম'বাইল ডিভাইচ লাখ লাখ ব্যৱহাৰ হৈ আছে। একেলগে, হাজাৰ হাজাৰ লোকবিলাকেই যোগাযোগ কৰিবলৈ, আমি এই ম'বাইল ফোনবোৰ ব্যৱহাৰ কৰো, যিবিলাকক আগতে আত্মিক ব্যক্তিসকলে বেয়া পাইছিল। যদিও তেওঁলোকৰ ব্যৱহাৰত কিছুমান ঋণাত্মক পৰিণতি সংযুক্ত হৈ আছে, আধুনিক জনতালৈ শুভবাৰ্তাৰ সৈতে যোগাযোগ কৰিবলৈ আমি চেলফোনক নিয়োগ কৰিছো।

যেতিয়া মানুহে বিশ্বৰ বাতৰি আৰু বিভিন্ন আমোদ-প্ৰমোদ কাৰ্যক্ৰমসমূহ চাবলৈ চেলফোন ব্যৱহাৰ কৰে, তেওঁলোকে শুভবাৰ্তাও শুনিবলৈ সুবিধা পাব। আগৰ দিনত, টেলিভিশ্বনত চিনেমা, নাটক আৰু বিশ্বৰ বাতৰি চলি থকাৰ স্বত্বেও একেটা টেলিভিশ্বনত ১৫ মিনিটৰ বাবে প্ৰভুৰ শুভবাৰ্তাও শুনি থাকে। আমি ইয়াৰ পৰা ধনাত্মক ফলসমূহ পাইছো আৰু ইয়াৰ ফলস্বৰূপে, অনেক সম্পূৰ্ণ সময় খ্ৰীষ্টিয়ান আত্মিক চেনেলৰ আৰম্ভ হৈছে। এইটো অস্বীকাৰ কৰিব নোৱাৰি যে আমি এই প্ৰচেষ্টাত লাভৱান হৈছো।

যদিও চেলফোনবোৰ বিপদজনক যন্ত্ৰ হ'ব পাৰে, আমি আমাৰ ইউ টিউব চেনেলটো যিবিলাক মানুহে অনন্ত কলীয়া ধ্বংসৰ ফালে গৈ আছে আৰু যিবিলাকে আত্মহত্যাৰ সিদ্ধান্ত লয়, সেইলোকসকলক যীচু খ্ৰীষ্টৰ শক্তিক প্ৰচাৰ কৰাৰ দ্বাৰাই উদ্ধাৰ কৰাৰ মনোভাৱৰ সৈতে আমি আমাৰ ইখ অফ হীজ ক'ল চেনেলখন আৰম্ভ কৰিছো। আমি প্ৰত্যেক পুৱাবেলা ৫ টা বজাত তামিল, ইংৰাজী, হিন্দী আৰু তেলেগু ভাষাত এটা ছুটি বাৰ্তা সম্প্ৰচাৰ কৰো, আমাৰ লক্ষ্য হৈছে যাতে পৃথিৱীৰ মানুহে উদ্ধাৰ পাব। লাখ-লাখ মানুহে যেতিয়া জাগতিক বস্তুবোৰ চাবলৈ যিবোৰ চেলফোন তেওঁলোকে ব্যৱহাৰ কৰে, সেই একেটা চেলফোনক খ্ৰীষ্টৰ অবিহনে জীৱন জীয়াই থকাৰ পৰিণামৰ পৰা ৰক্ষা পাবলৈ ব্যৱহাৰ কৰিব পাৰি। গতিকে, আমিও এইলোকসকললৈ প্ৰযুক্তিৰ মাধ্যমেৰে পৰিচৰ্য্যা কৰি আছো যাতে ব্যক্তিজনে জাগতিক জীৱনত ইয়াৰ পৰা লাভালাভ পাব পাৰে, আৰু প্ৰভু আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ নামত সান্ত্বনা পাব পাৰে।

## আমি ইয়াত কিছুমান সাক্ষ্যসমূহ প্ৰকাশ কৰিছোঃ

"মই আত্মিকভাৱে ক্লান্তিকৰ অনুভৱ কৰিছিলো। আপোনাৰ বাক্যই মোক সান্ত্বনা দিলে আৰু তুলিলে।"

"জীৱনত বহুধৰণৰ বিপৰ্যয় থকা হেতুকে, মই আৰু জীয়াই থাকিবলৈ বিচৰা নাছিলো। আপোনাৰ ইউ-টিউব চেনেলত কৰা প্ৰাৰ্থনাই মই জীয়াই থাকিবলৈ মোৰ ইচ্ছাক শক্তি যোগালে।"

"মোৰ ৰোগ হৈছিলে আৰু মই শয্যাশায়ী আছিলো। আপোনাৰ ইউ টিউব চেনেলত আপুনি প্ৰচাৰ কৰা সাক্ষ্যবিলাকৰ পৰা সুস্থতা লাভ কৰিলো।"

"আমি পৰিয়ালে, আপোনাৰ বাৰ্তাবোৰ শুনো আৰু আপোনাৰ প্ৰাৰ্থনাৰ সময়ত অংশ লওঁ, আমি আমাৰ পৰিয়ালৰ মাজত সহভাগিতা আৰু সুস্থতাৰ অভিজ্ঞতা লাভ কৰিছো।"

"মই এজন অৱসৰপ্ৰাপ্ত ঈশ্বৰৰ দাস হওঁ। আপোনাৰ ইউ টিউব চেনেলটোৱে আমাক বহুত কামত ব্যস্ত কৰি দিছে। মই আপোনাৰ তামিল, তেলেগু, ইংৰাজী আৰু হিন্দী বাৰ্তাক চাওঁ আৰু মই যাৰ যাৰ লগত যোগাযোগত আছো, সেই সকলোলৈ চেয়াৰ কৰি দিওঁ। এইদৰে এই কাৰ্য্য মোৰ বাবে স্থায়ী কাৰ্য্যৰ দৰে হৈ গৈছে। এইটো এটা ভালপৰিচৰ্য্যা, আৰু আপোনাৰ বাৰ্তাসমূহ সঁচাকৈয়ে আশীৰ্বাদপ্ৰাপ্ত বিশ্বব্যাপী হাজাৰ-হাজাৰ লোকৰ জীৱনবিলাকক ৰক্ষা কৰা বাৰ্তা। একেৰাহে কৰি থাকক। আপোনাৰ পৰিচৰ্য্যাৰ ৫৫ বছৰৰ কঠোৰ পৰিচৰ্য্যাবোৰক মই প্ৰশংসা নকৰাকৈ থাকিব নোৱাৰো। কিয়নো মই আপোনাক যোৱা ৫০ বছৰ ধৰি জানি আছো।"

"যেতিয়াৰে পৰা প্ৰতি ৰাতিপুৱাতে আপোনাৰ ইউ টিউব চেনেলত আপোনাৰ বাৰ্তাসমূহ শুনিবলৈ আৰম্ভ কৰিলো, আমি আমাৰ গীৰ্জা উপাসনাবোৰত নিয়মীয়াকৈ যোগদান কৰিবলৈ আৰম্ভ কৰি আছো আৰু প্ৰভু যীচুখ্ৰীষ্টক আত্মাত আৰু সত্যত আৰাধনা কৰি আছো, আপোনাৰ ইউ-টিউব বাৰ্তসমূহ শুনাৰ পাছত, যিকোনো কাৰ্য্য কৰাৰ আগতে, মই ব্যক্তিগত প্ৰাৰ্থনা আৰু পাৰিবাৰিক প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰি দিলো।"

এনে একেধৰণৰ অভিজ্ঞতা পোৱা ব্যক্তিসকলৰ পৰা পোৱা অনেক সঁহাৰিসমূহ আমি পায় আছো। এই গতিকে আমি এই ইউ-টিউব চেনেলে পৰিচৰ্য্যা সৃষ্টি কৰিছো। অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক যাতে ঈশ্বৰৰ ইচ্ছা পুৰ্ণ হ'ব।

এই সাক্ষ্যবিলাকৰ বাবে আমি কৃতজ্ঞ আৰু বিশ্বজোৰা ব্যক্তিসকলৰ ওপৰত আমাৰ পৰিচৰ্য্যাই যি প্ৰভাৱ পেলাইছে তাৰ বাবে আমি আনন্দিত হৈছো।

যদি আপুনি ইচ্ছুক, তেন্তে অনুগ্ৰহ কৰি আমাৰ চেলফোন নম্বৰ +৯১-৯৮৪১০৭১৮৫৮ ব্যৱহাৰ কৰি আমাৰ ইখ অফ হীজ কল চেনেলক চাবচক্ৰাইব কৰক।

আমি ব্যক্তিগতভাৱে ওৱাটচ এপ আৰু চেলফোন নম্বৰ +৯১-৯৮৪১২৭১৮৫৮ নম্বৰত মোলৈ যোগাযোগ কৰিব পাৰে)ঃ

অনুগ্ৰহ কৰি এই দুটা নম্বৰ, চেভ কৰি ল'ব, কিয়নো আমি আপোনালোকৰ লগত মধুৰ সম্পৰ্ক ৰাখিব বিচাৰো। পৰিচৰ্য্যাত বিশ্বাসীভাৱে কাৰ্য্য কৰা প্ৰত্যেকজনৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আমি অনুৰোধ জনাইছো।

তাৰোপৰি, আমি এই পৰিচৰ্য্যা উন্নত কৰিবলৈ আপোনাৰ পৰামৰ্শ আৰু সহায়বিলাকক আমি আদৰণী জনাইছো।

আমি বহুত ধৰণৰ আত্মিক যুদ্ধবিলাকৰ সন্মুখীন হৈ আছো, আৰু আমাৰ নিকটবৰ্তী এলেকাত পৰিচৰ্য্যা কৰা ঈশ্বৰৰ অনেক দাসকসকলে শৰীৰত দুৰ্বলতাৰ সৈতে প্ৰভাৱিত হৈছে। আপোনালোকৰ ওপৰত ঈশ্বৰৰ নিৰাপত্তাৰ বাবে আমি প্ৰাৰ্থনা কৰো। ঈশ্বৰৰ অনুগ্ৰহ আপোনালোকৰ সৈতে থাকক। আমেন!

**খ্ৰীষ্ট্ৰ যীচুত আপোনালোকৰ সেৱক,**

পালক, এচ, চাম ছেলভা ৰাজ
আৰু এলেক্স চেমচন চাম।

(+91) 98412 71858 / 98410 71858,
E.mail : samselvaraj333@gmail.com

১ পৃষ্ঠাৰ পৰা

পাচনি কৰ্ম্ম ১ঃ৮ পদে কয়, "কিন্তু যেতিয়া তেওঁলোকৰ ওপৰলৈ পবিত্ৰ আত্মা আহিব, তেতিয়া তোমালোকে শক্তি পাবা আৰু প্ৰত্যেক পৰিস্থিতিত তোমালোকৰ বিশ্বাসক প্ৰদৰ্শন কৰি তেওঁৰ সাক্ষী হ'বা।" যেতিয়া আমি যীচুৰ শিষ্যবিলাকৰ জীৱনবোৰ পৰীক্ষা কৰি চাওঁ তোমালোকে পবিত্ৰ আত্মাক পোৱাৰ আগত বা পাছৰ অভিজ্ঞতাক দেখো তেতিয়া আমি পাৰ্থক্য দেখা পাওঁ। যি পিতৰে আগত কিছুমান মানুহৰ আগত যীচু খ্ৰীষ্টক অস্বীকাৰ কৰিছিল, পাছত তেওঁ সাহেৰে হাজাৰ হাজাৰ মানুহৰ আগত শুভবাৰ্তা প্ৰচাৰ কৰিছিল। ক'ৰ পৰা তেওঁ এই সাহস পাইছিল? পবিত্ৰ আত্মাৰ শক্তিৰেহে তেওঁ এই কাৰ্য কৰি আছিল।

## বিশ্বাসে কৰ্ম কৰে!

পাঁচনিৰ কৰ্ম্ম ৩ অধ্যায়ে স্পষ্টভাৱে পবিত্ৰ আত্মাৰ ৰূপান্তকাৰী শক্তিক প্ৰদৰ্শন কৰে আৰু কি দৰে এজন সাধাৰণ ব্যক্তিয়ে তেওঁৰ বিশ্বাসক ব্যৱহাৰ কৰিলে তেওঁ এজন অসাধাৰণ ব্যক্তিত ৰূপান্তৰিত হয় তাকে দেখুৱাইছে। যেতিয়া আমি আমাৰ বিশ্বাসক কৰ্মত পৰিণত কৰো তেতিয়া কি ঘটে তাৰ এটি উদাহৰণ এইটোৱে প্ৰদান কৰে। শিষ্যসকলে পবিত্ৰ আত্মা পোৱাৰ পাছত প্ৰথম আচৰিত কৰ্ম প্ৰদৰ্শন কৰা বিষয়টিক ইয়াত বৰ্ণনা কৰিছে।

### পাঁচনি কৰ্ম্ম ৩ অধ্যায় ঃ পিতৰ আৰু যোহন

আহক আমি এই শাস্ত্ৰপাঠটোৰ আৰু অধিক গভীৰতালৈ যাওঁ ঃ

পিতৰ, যোহন আৰু খোৰা মানুহজনৰ জীৱনত সেই দিনটো কেৱল আন দিনৰ দৰে এটা সাধাৰণ দিন আছিল আমাৰ বাবে বুজিবলৈ আহক আমি সেই খোৰা মানুহজনক টম নাম দি লওঁ।

তেওঁলোকৰ তিনিওজনে হ'ব পাৰে দৈনিক ৰুটিনৰ দৰে মন্দিৰলৈ যাবলৈ সাজু হৈছিল। পিতৰ আৰু যোহনে ঈশ্বৰক আৰাধনা কৰিবলৈ ওলাই গৈছিল, আৰু টমে তেওঁৰ উপাৰ্জনৰ উৎস বিচাৰি ওলাই আহিছিল। তেওঁলোকৰ কোনেও জনা নাছিল যে ঈশ্বৰে সেইদিনটোৰ বাবে কি পৰিকল্পনা কৰিছিল। মই নাভাবো যে তেওঁলোকে সেইদিনটো এটা জীৱন পৰিৱৰ্তনৰ দিন হ'ব পাৰে বুলি উপলব্ধি কৰিছিল।

## পটভূমি ইতিহাস ঃ

এটা নিয়মীয়া অভ্যাসৰ দৰে, পিতৰ আৰু যোহনে ঈশ্বৰৰ মন্দিৰলৈ গৈছিল। এনেতে এদিনাখন, তেওঁলোকে টমক তাত লগ পাইছিল, যিজনে মন্দিৰৰ দুৱাৰৰ কাষত বহি আছিল, প্ৰতিদিনে কিছুমান মানুহে তেওঁক কঢ়িয়াই আনি তাত বহুৱাব লগা হৈছিল যাতে তেওঁ "ভিক্ষা" বিচাৰিব পাৰিব। টমে তেওঁৰ জন্মৰে পৰা খোজ কাঢ়িব নোৱাৰিছিল, তেতিয়া তেওঁৰ বয়স প্ৰায় ৪০ বছৰ হৈছিল। সেই অঞ্চলত তেওঁ হয়তো যিহুদাবিলাকৰ মাজত এজন বিখ্যাত আৰু জনাজাত লোক হৈ পৰিছিল। মন্দিৰলৈ অহা-যোৱা কৰা শ শ মানুহবিলাকে তেওঁক দেখিছিল, হয়তো তেওঁক কিছুমানে টকা দিছিল আৰু কিছুমানে তেওঁক আওকাণ কৰিছিল।

দুখ লগা বিষয় হ'ল তেওঁ চাৰিটা দশক ধৰি মন্দিৰৰ বাহিৰত বহি জীৱন অতিবাহিত কৰি আছিল। যদি তেওঁক কোনোবাই সুধিলেহেঁতেন, তেওঁ সেই মন্দিৰৰ সকলো ৰীতি-নীতি আৰু পৰম্পৰাৰ বিষয়ে ক'ব পাৰিলেহেঁতেন, মন্দিৰলৈ অহা পৰিয়ালসকলৰ নাম আৰু ঠিকনা ক'ব পাৰিলেহেঁতেন। তেওঁ নিশ্চয় মন্দিৰৰ সকলো চলাওঁতাসকলক জানিছিল আৰু ৪ দশক ধৰি উপাসনাত গোৱা গীতবোৰকো তেওঁ নিশ্চয় জানিছিল। তেওঁ নিশ্চয় অনেকবাৰ ঈশ্বৰৰ বাৰ্তা শুনিছিল, তথাপি তেওঁ তেতিয়াও মন্দিৰৰ বাহিৰতে বহি আছিল। তেওঁক গীৰ্জাৰ উপাসনালৈ লৈ যাবলৈ কোনো অহা নাছিল।

এইটো কিবা পৰিচিত যেন লাগিছেনে? আমাৰ মাজতো কিছুমান এনে অৱস্থাৰ মাজতে আছো। আমি জানো যে ঈশ্বৰ কোন হয়, আমি তেওঁৰ আচৰিত কৰ্মবিলাকৰ বিষয়ে, তেওঁৰ আচৰিত শক্তি আৰু তেওঁৰ অনেক বাৰ্তা আৰু গীত-গানবোৰ শুনিছো। কিন্তু আমি এতিয়াও তেওঁৰ উপস্থিতিৰ বাহিৰত আছো আৰু ঈশ্বৰৰ সৈতে ব্যক্তিগতভাৱে মুকাবিলা কৰিবলৈ সমৰ্থ হোৱা নাই। আমাৰ কিছুমানে অতীতৰ মহিমাৰ বিষয়ে গীত গাই থাকে। আমি এনেকুৱা আছিলো, আমি তেনেকুৱা আছিলো বুলি কয়, কিন্তু এতিয়ানো কি কৰি আছে? খ্ৰীষ্টৰ খোজৰ সৈতে খোজ মিলাই চলা দিনবোৰ ক'ত? আপুনি তেওঁৰ উপস্থিতিৰ ভিতৰত নে বাহিৰত আছে?

টমক মন্দিৰৰ ভিতৰলৈ নিবলৈ কোনো নাছিল। যদি আপুনি ঈশ্বৰৰ উপস্থিতিৰ পৰা বহুত দূৰত বহি আছে, তেন্তে এই বাৰ্তাই আপোনাক ঈশ্বৰৰ উপস্থিতিৰ কাষলৈ লৈ আনিব।

অকস্মাতে সেইদিনা, যেতিয়া টমে সদায় কৰাৰ দৰে ভিক্ষা মাগি আছিলে, পিতৰে তেওঁলৈ একেথৰে চাই ক'লে, "আমালৈ চোৱা।" কিয়, পিতৰে তেওঁলৈ একেথৰে চাই ক'লে? টমে পিতৰ আৰু যোহনৰ পৰা কিবা বিশেষ অসাধাৰণ বস্তু বিচৰা যেন লগা নাই। তাত অহা-যোৱা কৰা মানুহবিলাকৰ পৰা সাধাৰণভাৱে ভিক্ষা মাগি আছিল। যি কি নহওক, পিতৰে বিচাৰিছিল যে টমে সম্পূৰ্ণ মনোযোগ দিব কিয়নো পিতৰে জানিছিল যে দুয়োজনৰ জীৱনত কিবা এটা ঘটিবলৈ গৈ আছে। তেওঁ বিশ্বাসক কৰ্মত দেখুৱাবলৈ সাজু হৈছিল। সেই গতিকে, তেওঁ তেওঁৰ সম্পূৰ্ণ মনোযোগ বিচাৰিছিল।

৬ পৃষ্ঠাত চাওঁক


नहेम्याह बाइबल कॉलेज
रेसिडेन्शल कॉलेज, चेन्नई।

माध्यमः हिन्दी

सदस्यता के लिए पंजीकृत उम्मीदवार - ATA

सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 54 वर्षो से सेवारत वरिष्ठ पासवान

Diploma in Ministry : One year
Diploma in Theology : Two years
Bachelor of Theology : Three years

योग्यता 10 वी या अधिक
जल्दी करें!

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
★ ऑनलाइन कक्षाएं उपलब्ध हैं ★

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ** From 2023 October 19 To November 18

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

**অক্টোবৰ ১৯ ঃ** ১৯৬৯ চনৰ পৰা আলোচনী পৰিচৰ্যালৈ আমাৰ অঙ্গীকাৰত তেওঁৰ আশীৰ্বাদৰ বাবে।

**অক্টোবৰ ২০ ঃ** আমাৰ আলোচনী পৰিচৰ্যাৰ যোগেদি শুভবাৰ্তা নোপোৱা লোকৰ মাজত শুভবাৰ্তা বিলোৱাত তেওঁৰ আশীৰ্বাদৰ বাবে।

**অক্টোবৰ ২১ ঃ** ৫৫ তম বৰ্ষত আমাৰ প্ৰৱেশৰ চিনস্বৰূপে বছেৰেকীয়া সভা পতাত সহায় কৰাৰ বাবে।

**অক্টোবৰ ২২ ঃ** যোৱা মাহত আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ কাৰ্যকলাপবিলাকৰ বাবে।

**অক্টোবৰ ২৩ ঃ** ১৬ টা ভাষাত আমাৰ আলোচনী ছপাশালত ছপা কৰি মিশ্বন ফিল্ডলৈ পঠোৱাত সমৰ্থ কৰাৰ বাবে।

**অক্টোবৰ ২৪ ঃ** আমাৰ প্ৰাৰ্থনা অংশীদাৰ চাব্‌চক্ৰাইবিং অংশীদাৰসকল, বিশ্বাসী অংশীদাৰসকল, জীৱন অংশীদাৰসকল লগতে তেওঁলোকৰ পৰিয়ালবৰ্গক তেওঁ দয়া কৰাৰ বাবে।

**অক্টোবৰ ২৫ ঃ** বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰমৰ বৃদ্ধিৰ বাবে।

**অক্টোবৰ ২৬ ঃ** আমাৰ সহকাৰী সম্পাদকসকল আৰু তেওঁৰ পৰিয়ালবৰ্গলৈ আশীৰ্বাদৰ বাবে।

**অক্টোবৰ ২৭ ঃ** আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক ৰক্ষা কৰাৰ বাবে।

**অক্টোবৰ ২৮ ঃ** বিভিন্ন পৰিচৰ্যাৰ যোগেদি শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ আমাৰ জ্যেষ্ঠ পালকৰ প্ৰতিশ্ৰুতিৰ বাবে।

**অক্টোবৰ ২৯ ঃ** আমাৰ দেশখনক ৰক্ষা কৰাৰ বাবে।

**অক্টোবৰ ৩০ ঃ** আন আন পৰিচৰ্যাবিলাকক সহায় কৰাত আমাক সমৰ্থ কৰাৰ বাবে।

**অক্টোবৰ ৩১ ঃ** আমাক সমৰ্থন কৰা লোকসকলৰ বাবে আৰু আমাৰ পৰিচৰ্যাত তেওঁলোকৰ জড়িতৰ বাবে।

**নৱেম্বৰ ০১ ঃ** আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰমৰ সকলো কাৰ্যকলাপবিলাকৰ বাবে।

**নৱেম্বৰ ০২ ঃ** গোটেই পৃথিৱীত বাইবেল আৰু খ্ৰীষ্টিয়ান পত্ৰিকাসমূহ ছপা কৰাৰ বাবে জড়িত হোৱা লোকসকলৰ সহায়ৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

**নৱেম্বৰ ০৩ ঃ** আমাৰ জ্যেষ্ঠ পালক এচ, চাম ছেলভা ৰাজৰ আৰু তেওঁৰ পৰিয়ালবৰ্গক স্বৰ্গীয় নিৰাপত্তা আৰু সুস্বাস্থ্যৰ সৈতে আশীৰ্বাদ পাবৰ বাবে।

**নৱেম্বৰ ০৪ ঃ** আমাৰ বাসগৃহ আৰু সন্ধ্যা নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ আৰু ছাত্ৰীসকলৰ শৃংখলাবদ্ধতা আৰু সমৰ্পণৰ বাবে।

**নৱেম্বৰ ০৫ ঃ** তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ বিশ্বাসীসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গসকল যিসকল কেন্দ্ৰ মণ্ডলীত আৰু শাখা মণ্ডলীত আছে তেওঁলোকৰ কল্যাণৰ বাবে।

**নৱেম্বৰ ০৬ ঃ** মাদকদ্ৰব্যৰে আসক্ত হোৱা শিশু আৰু যুৱকসকলে ৰক্ষা পাবৰ বাবে।

**নৱেম্বৰ ০৭ ঃ** আমাৰ সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গসকলে নিৰাপত্তা আৰু ভাল স্বাস্থ্য পাবলৈ।

**নৱেম্বৰ ০৮ ঃ** আমাৰ অনুষ্ঠান, সকলো কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গই আশীৰ্বাদ পাবলৈ।

**নৱেম্বৰ ০৯ ঃ** আমাৰ জ্যেষ্ঠ পালকে তেওঁৰ আত্মজীৱনী লিখি থকাৰ সময়ত তেওঁৰ প্ৰচেষ্টাত অনুমতি আৰু সহায় পাবলৈ।

**নৱেম্বৰ ১০ ঃ** আটাই দেশসমূহত একতা আৰু শান্তিৰ বাবে।

**নৱেম্বৰ ১১ ঃ** গোটেই পৃথিৱীৰ মানুহৰ নিৰাপত্তা আৰু মঙ্গলৰ বাবে।

**নৱেম্বৰ ১২ ঃ** ভাৰতত শুভবাৰ্তা নোপোৱা লোকসকলক শুভবাৰ্তা দিবলৈ সমৰ্থ হ'বৰ বাবে।

**নৱেম্বৰ ১৩ ঃ** আমাৰ জ্যেষ্ঠ পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গৰ সু-স্বাস্থ্যৰ বাবে।

**নৱেম্বৰ ১৪ ঃ** বিশ্বব্যাপী শিশু শ্ৰম গুচাবৰ বাবে।

**নৱেম্বৰ ১৫ ঃ** আটাই খ্ৰীষ্টিয়ান অনুষ্ঠানবিলাক আৰু মণ্ডলীবিলাকৰ ওপৰত আশীৰ্বাদ আৰু নিৰাপত্তাৰ বাবে।

**নৱেম্বৰ ১৬ ঃ** তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ নিৰাপত্তা আৰু সু-স্বাস্থ্যৰ বাবে।

**নৱেম্বৰ ১৭ ঃ** কভিড ভেৰিয়েণ্ট, যেনে অমিক্ৰন আৰু বি,এ,২,৮৬ৰ বিস্তাৰক বাধা দিবৰ বাবে।

**নৱেম্বৰ ১৮ ঃ** আটাই খ্ৰীষ্টিয়ান পৰিচৰ্যাসমূহত আচৰিত কৰ্ম আৰু আচৰিত চিনবোৰ ঘটিবলৈ।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

যেতিয়া পৱিত্ৰ আত্মা আহে, তেতিয়া তেওঁ আমাক প্ৰভুৰ বাবে অসাধাৰণ/মহান শোষণ কাৰ্য কৰিবলৈ শক্তি দিয়ে। তেওঁলোকৰ বিশ্বাস কাৰ্য কৰিবলৈ আৰম্ভ কৰিলে। এইটো কৰ্মত বিশ্বাস আছিল। ঈশ্বৰে আমাৰ বিশ্বাসক অসাধাৰণ বিশ্বাসত পৰিণত হোৱাটো বিচাৰে।

## ১। অসাধাৰণ বিশ্বাস অসাধাৰণ দৰ্শনক বিচাৰে - যি দৃশ্যমান হয়, তাতোকৈ দূৰত চাবলৈ সমৰ্থ হোৱা।

পিতৰে টমৰ শাৰীৰিক অৱস্থাতকৈ দূৰত দেখিছিল। তেওঁ এজন শাৰীৰিকভাৱে প্ৰতিবন্ধী ব্যক্তি আছিল, এজন ভিক্ষাৰী আছিল, কোনো আৰ্থিক মৰ্যাদা নাছিল, আৰু তেওঁৰ দৈনিক দায়িত্বৰ বাবে আনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়াত পৰিছিল। পিতৰে তেওঁক কেইটামান পইচা দি ঈশ্বৰক আৰাধনা কৰিবলৈ গুছি যাব পাৰিলেহেঁতেন, কিন্তু তেওঁ তাতে বৈ সেই মানুহজনৰ সৈতে সময় কটাবলৈ সিদ্ধান্ত ল'লে। পিতৰে হয়তো সোনকালে মন্দিৰলৈ যোৱাটো প্ৰয়োজন আছিল। কিন্তু তেওঁ সেই মানুহজনৰ বাবে সময় দিলে। আমাৰ চাৰিওফালে থকা মানুহবিলাকৰ বাবে আমি সময় দিব পাৰোনে বা আমি আমাৰ নিজ নিজ কামবিলাকৰ বাবে ব্যস্ত হৈ আছো নে? আমাৰ কিছুমানে আমাৰ ব্যক্তিগত, ব্যৱসায় আৰু আত্মিক জীৱনবিলাকৰ প্ৰতি ইমানেই মনোযোগ দিওঁ যে আমাৰ চাৰিওফালে থকা লোকবিলাকৰ তাৎক্ষণিক প্ৰয়োজনবিলাকক চোৱাত আমি ব্যৰ্থ হৈ যাওঁ।

ইয়াত আমি দেখো যে পিতৰে কেৱল এজন মানুহৰ বাবে মন্দিৰত প্ৰৱেশ নকৰি বৈ দিছিল। মই ভাবো তেওঁ এইদৰে এজন মানুহৰ বাবে বৈ দিবলৈ প্ৰভুৰ পৰা শিকিছিল।

এজোপা ডিমৰু গছত বহা এজন মানুহৰ বাবে যীচুৱে বৈ দিছিল। যীচুৱে এগৰাকী ১২ বছৰে তেজ যোৱা তিৰোতাৰ বাবে বৈ দিছিল। এগৰাকী চমৰীয়া তিৰোতাক লগ পাবলৈ তেওঁ নাদৰ ওচৰত গৈছিল। দিকাপলিৰ ওচৰত মানসিক ৰোগী এজনক লগ পাবলৈ তেওঁ এটা বৰ ধুমুহা পাৰ কৰি গৈছিল। গতিকে পিতৰো এজন মানুহৰো মূল্যক বুজি পাইছিল। আহক আমি ইয়াক আমাৰ ওপৰতো প্ৰতিফলিত হ'বলৈ দিওঁ। আগতে আপুনি কেতিয়া এজন মানুহৰ বাবে বৈ তেওঁক প্ৰেম, যত্ন বা মনোযোগ দিছিলে?

পিতৰে মানুহৰ শাৰীৰিক প্ৰয়োজনতকৈ আৰু দূৰত চাব পাৰিছিল, তেওঁৰ আত্মিক উদ্ধাৰৰ বাবে থকা প্ৰয়োজন। তেওঁ ক'লে, "আমালৈ চোৱা" ... তেওঁ পিতৰক গভীৰভাৱে চাই আছিল...। আমি মানুহৰ শাৰীৰিক অৱস্থাৰ পৰা আৰু দূৰত চাব পাৰো নে? বহুত সময়ত আমি বিচাৰমূলক হৈ থাকো। আমি বিচাৰ কৰো যে কাৰ যীচুৰ প্ৰয়োজন আছে আৰু কাৰ প্ৰয়োজন নাই। আমি কিছুমান খণ্ডবাক্য শুনো যে "তেওঁ নুশুনিব" বা "তেওঁক কোনে ক'ব", আনকি যেতিয়া আমি সাক্ষ্য দিবলৈ বিচাৰো, তেতিয়া কি ক'ব লাগে আমি বাছি লওঁ। এজন ব্যক্তিক যীচুৰ প্ৰয়োজন আছে নে নাই তাক আমি বাহ্যিক মুখমণ্ডলৰ ওপৰত ভিত্তি কৰি কওঁ।

যদি আমি আমাৰ অসাধাৰণ বিশ্বাসক ব্যৱহাৰ কৰো, তেন্তে আমি অসাধাৰণ দৰ্শনৰ সৈতে দেখিবলৈ আৰম্ভ কৰিব লাগিব। আমি আমাৰ খালী চকুৰে যিমান দূৰ দেখিব পাৰো তাতকৈয়ো আগত দেখিব লাগে।

টমে কোনো আচৰিত কৰ্মৰ বাবে আশা কৰা নাছিল, আৰু পিতৰেও কোনো ধৰণৰ আচৰিত কৰ্ম কৰিবলৈ পৰিকল্পনা কৰি অহা নাছিল; এইটো তেতিয়া ঘটিছিল, যেতিয়া তেওঁলোকে অসাধাৰণ বিশ্বাসক ব্যৱহাৰ কৰিবলৈ ইচ্ছা কৰিছিল। আপুনি আপোনাৰ অসাধাৰণ বিশ্বাসক ব্যৱহাৰ কৰিবলৈ আৰু আপোনাৰ বিশ্বাসক কৰ্মত পৰিণত কৰিবলৈ ইচ্ছা কৰিছেনে?

গভীৰতালৈ চাবলৈ "আমাৰ চকুযোৰক ঠিক কৰোহঁক। শেষবাৰ কেতিয়া আপুনি আপোনাৰ চাৰিওফালে থকা মানুহবিলাকক "গভীৰভাৱে" দেখিছিলে - আপোনাৰ মণ্ডলীৰ বিশ্বাসীসকল, তেওঁলোক কোন হয়, তেওঁলোক ক'ৰ পৰা আহিছিল, আৰু তেওঁলোক দেখিবলৈ কেনেকুৱা? কিছু সময় লৈ গভীৰভাৱে চাওঁক!

বাৰ্ণাবাচে পৌল, যোহন আৰু মাৰ্কত কিবা গভীৰতা আৰু বিশেষ বিষয় দেখিছিল। ঈশ্বৰে আমাক মানুহৰ বাহ্যিক আকৃতিৰ উপৰিও আৰু বেলেগকৈ চাবলৈ দৰ্শন দিয়ক আৰু তেওঁলোকৰ আত্মিক প্ৰয়োজনীয় বিষয়বোৰক গভীৰভাৱে চাবলৈ দৰ্শন দিয়ক।

## ২। অসাধাৰণ বিশ্বাসে অসাধাৰণ সাহক উৎপন্ন কৰে।

আমাৰ আৰাম অঞ্চলত থাকি আমি বহুতেই নিৰাপদত থাকি ইয়াক ব্যৱহাৰ কৰি ভাল পাওঁ আৰু ৰুটিন কৰি লাগি থাকো। বিশেষকৈ আমি বুঢ়া হোৱাৰ লগে লগে আমাৰ কিছুমানে কম দুঃসাহসী হৈ পৰো আৰু মই নিজেই এই বিভাগতে পৰো। মই আগতে বহুত ধৰণৰ

*৮ পৃষ্ঠাত চাওঁক*


# নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়

চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

ECHO OF HIS CALL 1969-2019 REACHING NATIONS

মাধ্যম ঃ তামিল

ATA Regd. Candidate for Membership NEHEMIAH BIBLE COLLEGE CHENNAI ★ ECHO OF HIS CALL ★ Estd.-1969

যোৱা ৫৪ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় খ্ৰীষ্টিয়ান চলাওঁতাসকল আৰু জ্যেষ্ঠ পালকসকলৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA লৈ

Diploma in Ministry : One year
Diploma in Theology : Two years
Bachelor of Theology : Three years

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক!

**Contact : The Chairman, Nehemiah Bible College.**
10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## PLEASE PRAY FOR OUR MINISTRIES AT THE HEAD QUARTERS

1. Prayer Service : 24 hours
2. **BIBLECOR** - Bible Correspondence Courses : English, Tamil & Hindi
3. **ECHO OF HIS CALL** - Monthly Magazines : English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan.
4. Nehemiah Bible Colleges (Three Centres) (Evening / Residential)
5. Theological Correspondence Courses: English & Tamil
6. Great Commission Partners (Network of Pastors)
7. Training Programmes
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools : 8.30 a.m. & 4.00 p.m. Sunday
13. **Tamil Services : 8.00 a.m. & 10.00 a.m. Sunday**
14. **Hindi Service : 4.00 p.m. Sunday**
15. **Telugu Service : 5.00 p.m. Sunday**
16. **English & Tamil Service : 6.00 p.m. Sunday**
17. Women's Prayer : 5.30 p.m. Wednesday
18. Men's Prayer : 7.00 p.m. Friday
19. Discipleship Meeting : 6.00 p.m. Saturday
20. House Meetings : 6.30 p.m. Tuesday & Thursday
21. Special Holy Communion : 6.00 a.m. 1st day of each month
22. Ministers Review Meeting : 5.30 p.m. First Saturday
23. Parents' Prayer : 4.00 p.m. First Sunday
24. Night Prayer : 9.30 p.m. Second Friday
25. Fasting Prayer : 9:30 a.m. Third Saturday
26. Holy Communion : Second Sunday Services
27. Youth / Kid Prayer : 10.00 p.m. daily
28. Staff Devotion : 9.00 a.m. daily
29. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্‌নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

### "ঈশ্বৰ, যিজনে তেওঁৰ প্ৰতিজ্ঞাক ৰাখে"

১৯৬৯ চনত ঈশ্বৰে মোক তেওঁৰ মহিমামণ্ডিত পৰিচৰ্য্যাত মোক আহ্বান কৰিছিল। পুনৰ এবাৰ ১৯৭১ চনত, তেওঁ মোক যিৰিমিয়া ৫১ঃ২০-২৩ পদত পোৱা প্ৰতিজ্ঞাৰ সৈতে মোক উৎসাহিত কৰিলে।

"তুমি মোৰ গদা আৰু যুদ্ধৰ অস্ত্ৰ; তোমাৰ দ্বাৰাই মই নানা জাতিক খণ্ড খণ্ড কৰিম, আৰু তোমাৰ দ্বাৰাই নানা ৰাজ্য সংহাৰ কৰিম;

মই তোমাৰ দ্বাৰাই ঘোঁৰা আৰু তাত উঠাজনক ডোখৰ ডোখৰ কৰিম;

মই তোমাৰ দ্বাৰাই মতা আৰু তিৰোতাক ডাখৰ ডোখৰ কৰিম, তোমাৰ দ্বাৰাই বুঢ়া আৰু ডেকাক ডোখৰ ডোখৰ কৰিম, আৰু তোমাৰ দ্বাৰাই যুৱক আৰু যুৱতীক ডোখৰ ডোখৰ কৰিম;

মই তোমাৰ দ্বাৰাই জাকৰ ৰখীয়াক আৰু তাৰ জাকক ডোখৰ ডোখৰ কৰিম, তোমাৰ দ্বাৰাই খেতিয়কক আৰু তাৰ জাকক ডোখৰ ডোখৰ কৰিম, তোমাৰ দ্বাৰাই শাসনকৰ্তা আৰু দেশাধ্য ক্ষতিবিলাকক ডোখৰ ডোখৰ কৰিম"।

এই প্ৰতিজ্ঞাবিলাক মোৰ পৰিচৰ্য্যাত পৰিপূৰ্ণ হৈ আছে, কিয়নো তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ সকলো অংশবোৰ ইয়াত সাঙুৰ খাই আছে, প্ৰতিটো বিভাগ এতিয়া পৃথক পৰিচৰ্য্যা হিচাবে চলি আছে। আমাৰ ঈশ্বৰ তেওঁৰ প্ৰতিজ্ঞাত বিশ্বাসী হৈ থাকে।

এই বাইবেল পদবোৰৰ পৰিপূৰ্ণ হোৱাৰ সাক্ষ্য দিওঁ। "তুমি মোৰ গদা আৰু যুদ্ধৰ অস্ত্ৰ ...তোমাৰ দ্বাৰাই শাসনকৰ্তা আৰু দেশাধ্যক্ষবিলাকক ডোখৰ ডোখৰ কৰিম" (২০ আৰু ২৩ পদ)।

১৯৭৮ আৰু ১৯৮০ চনৰ মাজভাগত মই যেতিয়া চৰকাৰী চাকৰিত আছিলো, মই চেন্নাইৰ সাগৰত ওচৰত থকা চৰকাৰী বাসগৃহত থাকিবলগীয়া হ'ল।

"তোমাৰ বিৰুদ্ধে গঢ়া কোনো অস্ত্ৰ সফল নহ'ব..." - যিচয়া ৫৪ঃ১৭)

সেই সময়ত, মই চৰকাৰী চাকৰিয়াল সকলক শুভবাৰ্তা দিবলৈ এখন ডাঙৰ মহল থকা ঘৰ ভাড়াত লৈছিলো। বহুত উচ্চ পদস্থ বিষয়াসকলে ঈশ্বৰৰ দ্বাৰাই স্পৰ্শিত হৈছিল আৰু তেওঁলোকৰ আত্মা আৰু শৰীৰৰ বাবে আশীৰ্বাদ গ্ৰহণ কৰিলে।

যেতিয়াই মই সুযোগ পাইছিলো,ময়ো মুকলি সভাৰ আয়োজন কৰিছিলো।

যি নহওক, কিছুমান মানুহে মোক পছন্দ কৰা নাছিল আৰু আনকি আনকো মোৰ পৰিচৰ্য্যাত মোক বাধা দিবলৈ উচটাইছিল। তেওঁলোকে অলপ দূৰত থিয় হৈ মোলৈ চাই চিঞৰ দি ভয় খুৱাইছিল। কেতিয়াবা যেতিয়া মানুহবিলাকে মোৰ সভাত গোট খাইছিল, তেওঁলোকেও আহি আমাৰ চাৰিওফালে বেৰি ধৰিছিল। তেওঁলোকে দুচকীয়া বাহনত আহিব আৰু হাতত থকা অস্ত্ৰৰে প্ৰদৰ্শন কৰিব। শাৰীৰিক ভাৱে অত্যাচাৰ হোৱাৰো মোৰ অভিজ্ঞতা আছে, যাৰ বাবে মই বহুত ভয় খাইছিলো। তাৰোপৰি, তেওঁলোকে মোক ভাড়ালৈ দিয়া ঘৰখনৰ মালিকৰ ওচৰলৈ আহি মোক ঘৰখন ভাড়াত নিদিবলৈ তেওঁক কয় গুচি যায়।

সেইবোৰ প্ৰত্যাহবানৰ মাজতো, ঈশ্বৰে কেতিয়াও মোক ত্যাগ নকৰিলে। তেওঁ মোৰ স্থান উন্নত কৰিলে, আৰু তেওঁৰ পৰাক্ৰমী হাতে সদায়ে মোৰ লগত আছিল। মই ঈশ্বৰলৈ প্ৰাৰ্থনা কৰি মোৰ বিৰুদ্ধে যোৱা মানুহবিলাকৰ বাবে ক্ষমা বিচাৰিলো আৰু তেওঁলোকৰ পৰিত্ৰাণৰ বাবেও প্ৰাৰ্থনা কৰিলো। কিন্তু মই তেওঁলোকৰ বহুতকে পিছত লগ পাব নোৱাৰিলো। তথাপিও, তেওঁলোকৰ কিছুমানক মুখামুখি হ'বলৈ পালো, আৰু এইটো সত্য যে ঈশ্বৰে তেওঁলোককো তেওঁৰ পৰিত্ৰাণ দান কৰিলে।

গীতমালাৰ ৰচকে কয়, "যিহোৱা যে মঙ্গলময়, তাক তোমালোকে আস্বাদান কৰি চোৱা; তেওঁত আশ্ৰয় লোৱা লোক ধন্য" (গীতমালা ৩৪ঃ৮)।

❖❖❖❖❖

....Contd. from page 6

পাগলামী আৰু দুঃসাহসী কাৰ্যকলাপবিলাকত লিপ্ত হৈ আছিলো, যেনে - ভীতিকৰ ভ্ৰমণ আৰু ৰোলাৰ কোস্টাৰৰ আকস্মিক ৰোমাঞ্চিত অনুভৱ কৰিছিলো। সময় অতিবাহিত হোৱাৰ লগে লগে মোৰ দৃষ্টিকোণৰ পৰিৱৰ্তন হৈছিল। মই নিজকে প্ৰশ্ন কৰিছিলো, মই কিয় অদৰকাৰী বিপদবোৰ চপাই লৈছো আৰু যদি কিবা ভুল হৈ যায় মোলৈ কি ঘটিব। মোৰ দৰে সকলোৱে বাচি থাকিব বিচাৰে।

পিতৰে যোহনৰ লগত কথাত ব্যস্ত হৈ তেওঁক আওকাণ কৰি পাৰ হৈ যাব পাৰিলেহেঁতেন, যিদৰে সাধাৰণতে কৰো, বিশেষকৈ যেতিয়া আমাৰ হাতত অতিৰিক্ত সময় নাথাকে। কিন্তু তেওঁ এটা সাহসী পদক্ষেপ ল'লে আৰু ক'লে, "মোৰ লগত ৰূপ-সোণ একো নাই, কিন্তু যি আছে তাকে তোমাক দিওঁ"। এইটো কেৱল এটা সাহকৰ কাৰ্যই নাছিল, কিন্তু এটা অসাধাৰণ কাৰ্য আছিল। পিতৰে তেওঁৰ বিশ্বাসক সেই মানুহজনৰ ভিতৰত সুমুৱাই দি আছিল। এই ঘটনাটো পাঁচনি কৰ্ম্ম ১৪ঃ৮-১৯ পদত হোৱা ঘটনাটোৰ সৈতে একে, য'ত পৌলে এজন খোৰা মানুহক সুস্থ কৰিছিল। যি কি নহওক, পাৰ্থক্যটো এইটোৱেই আছিল যে যি মানুহজনক পৌলে সুস্থ কৰিছিল তেওঁৰ "সুস্থ হ'বৰ বাবে বিশ্বাস" আছিল, কিন্তু পিতৰে সুস্থ কৰা মানুহজনৰ বিশ্বাসৰ বিষয়ে বাইবেলত উল্লেখ কৰা নাই। যি কি নহওক পিতৰ আৰু যোহনে সাহেৰে এই মানুহজনৰ ভিতৰত তেওঁলোকৰ বিশ্বাসক দান কৰিলে।

ঈশ্বৰে আমাক আমাৰ চাৰিওফালে থকা লোকসকলৰ জীৱনত বিশ্বাস সুমুৱাই দিবলৈ আহবান কৰিছে। আমি বিশ্বাস দান কৰি আছো নে? অনেক সময়ত, ইতিমধ্যে যিবিলাকৰ বিশ্বাস আগৰে পৰা আছে, তেওঁবিলাকৰ সৈতে আমাৰ বিশ্বাসৰ বিষয়ে ক'বলৈ ভাল পাওঁ, কিন্তু যিবিলাকৰ বিশ্বাস বেলেগ বা যাৰ একেবাৰে বিশ্বাসেই নাই তেওঁবিলাকৰ সৈতে আমাৰ বিশ্বাসৰ বিষয়ে ক'বলৈ আমি কুণ্ঠাবোধ কৰো।

প্ৰিয় বন্ধুসকল, আমাৰ চাৰিওফালে থকা জীৱনবিলাকলৈ আমাৰ বিশ্বাসৰ বিষয়ে ক'লৈ এইটোৱেই সঠিক সময়ষ গতিকে, আন কোনোবাৰ জীৱনত বিশ্বাস সিঁচিবলৈ আমাৰ সময়কে খৰছ কৰোহঁক।

পিতৰে তেওঁৰ অলৰ বিশ্বাসক ব্যৱহাৰ কৰিবলৈ সাহক কৰিলে। এক মিনিটৰ বাবেও তেওঁ সন্দেহ নকৰিলে যে যদি সেই মানুহজন সুস্থ নহ'ব, তেন্তে কি হ'ব। পিতৰে বিশ্বাসত ক'লে, "উঠা আৰু খোজ কাঢ়া?" বুজিবলৈ সহ হ'লেও সেই মানুহজনে পিতৰৰ এই আজ্ঞাটো বুজি নাপালে। কিয়নো পৰৱৰ্তী পদটিয়ে এইদৰে কয়, পিতৰে তেওঁৰ হাতত ধৰি থিয় হোৱাত সহায় কৰিলে। তেতিয়াহে সেই মানুহজনে উপলব্ধি কৰিলে যে তেওঁ থিয় হৈ খোজ কাঢ়িব পাৰিব।

পিতৰে ক'লে "উঠা আৰু খোজ কাঢ়া"। আজি, এনে বহুত মানুহ আছে, তেওঁলোকক কোনোবাই আহি সোঁহাত ধৰি তুলি দিব লাগে। তেওঁলোক ঈশ্বৰৰ উপস্থিতিৰ প্ৰায় একেবাৰে কাষতেই আহি পালে কিন্তু এতিয়াও দুৱাৰৰ বাহিৰতে আছে। ইয়াত অসাধাৰণ সাহৰ প্ৰয়োজন আছে।

পিতৰ আৰু যোহনে টমৰ দ্বাৰাই কোনো বাধা পোৱা যেন অনুভৱ নকলিে, কিন্তু বৰং তেওঁলোকে তেওঁক এনে দৃষ্টিৰে দেখিলে যি জনে তেওঁলোকক ঈশ্বৰৰ শক্তিৰে শুভবাৰ্তা প্ৰচাৰ কৰাত সহায়হে কৰিছে।

খ্ৰীষ্টিয়ানবিলাকৰ বাবে এই টো গুৰুত্বপূৰ্ণ বিষয় যে তেওঁবিলাক নিজকে বিশ্বাসৰ খোজৰ পৰা আঁতৰি যাব নালাগে।

যেতিয়া ঈশ্বৰৰ সৈতে অকলে সময় লোৱাটো ভাল কথা, এইটোও গুৰুত্বপূৰ্ণ যে



সমান্তৰালভাৱে আমাৰ সময়, প্ৰয়াস আৰু আনৰ ওপৰত সম্পদ বহন কৰিব লাগে। আপোনাৰ চাৰিওফালে থকা লোকসকল আৰু যিবিলাকে আপোনাক বাটত লগ পায়, সেইবিলাকৰ সৈতে অসাধাৰণ সাহক লৈ জীৱনৰ কথা কওক। এই কাৰ্য কেৱল নিৰাপদত থাকি কৰিলে নহ'ব।

## ৩। অসাধাৰণ বিশ্বাসে অসাধাৰণ প্ৰত্যাহবানবোৰক লৈ আনে!

যেতিয়া আমাৰ বিশ্বাসে অলৰ হৈ থাকে, ইয়ে আমাৰ অসাধাৰণ বিশ্বাসলৈ লৈ আনে যাৰ ফলস্বৰূপে অসাধাৰণ প্ৰত্যাহবানবোৰ আহি যায়। খ্ৰীষ্টিয়ান পথত অগণন প্ৰত্যাহবানৰ দ্বাৰাই পূৰ্ণ হৈ আছে আৰু বাইবেলতো ক'তো লিখা নাই যে এইটো গোলাপ ফুলৰ বিছনা হয়। আমি নিজকে অস্বীকাৰ কৰি আমাৰ ক্ৰুচক কান্ধত তুলি ল'ব লাগিব।

এটা জীৱন পৰিৱৰ্তনৰ আচৰিত কৰ্মৰ অভিজ্ঞতাৰ পাছত পিতৰ আৰু যোহনে প্ৰশংসা বা সন্মান পোৱা নাছিল, কিন্তু তেওঁলোকক বন্দী কৰা হৈছিল। প্ৰিয় বন্ধুসকল, চয়তানে আমাৰ জীৱনৰ বাবে থকা ঈশ্বৰৰ ইচ্ছাক পৰিপূৰ্ণ হোৱাত বাধা কৰিবলৈ সকলোধৰণৰ চেষ্টা কৰে। যি কি নহওক আমাৰ বাবে ঈশ্বৰৰ স্বৰ্গীয় পৰিকল্পনাক কোনো মানুহ বা নৰকে বন্ধ কৰিব নোৱাৰে।

পিতৰ আৰু যোহনক বন্দী কৰা হৈছিল, ভাবুকি দিয়া হৈছিল আৰু শুভবাৰ্তা ক'বলৈ দিয়া হোৱা নাছিল, কিন্তু কোনোৱেও তেওঁলোকক ৰখাব নোৱাৰিলে।

মোৰ প্ৰিয় বন্ধুসকল, অসাধাৰণ সময়তে অসাধাৰণ অসাধাৰণ ব্যৱস্থাক মাতে। যেতিয়া আমি আমাৰ বিশ্বাসক ব্যৱহাৰ কৰো আৰু কৰ্মত দেখুৱাও, আমি তেতিয়া হয়তো আৰু অধিক সমস্যা আৰু প্ৰত্যাহবানবোৰৰ সন্মুখীন হ'ব পাৰো কিন্তু আমি আমাৰ বিশ্বাসক ধৰি ৰাখিব লাগে। আমাৰ পুৰস্কাৰ স্বৰ্গত আছে, গতিকে আমি আমাৰ আহবানলৈ বিশ্বাসী হৈ ৰৈ থাকিব লাগে। আমি পিছলৈ ঘূৰি চাব নালাগে বা পিছলৈ যাব নালাগে।

পাঁচনি কৰ্ম ১৪ঃ২২, আমাক সোঁৱৰাই দি কয় যে আমি বহু ক্লেশেৰে ঈশ্বৰৰ ৰাজ্যত সোমাব লাগে, এই বুলি বিশ্বাসত থিৰে থাকিবলৈ উপদেশ দি, আমাৰ মন থিৰ কৰিলে।

গীতমালা ৩৪ঃ১৯, কয় যে, "ধাৰ্মিকলোকৰ বিপদ অনেক, কিন্তু যিহোৱাই সেইজনক সেই সকলোৰে পৰা উদ্ধৰ কৰে"।

আমি ধাৰ্মিক জীৱন যাপন কৰি থাকিলেও ক্লেশৰ পৰা ৰেহাই পাব নোৱাৰো। গোটেই ইতিহাসত পুৰুষ আৰু মহিলাসকলে বিশ্বাসৰ বাবে ক্লেশ আৰু বিপদৰ সন্মুখীন হৈ আহিছে। খ্ৰীষ্টিয়ান আৰু অখ্ৰীষ্টিয়ান গীৰ্জালৈ যোৱা আৰু নোযোৱা দুয়ো ধৰণৰ লোকসকলৰ বাবে সমস্যাবিলাক থাকে। কিন্তু, ইয়াৰ অৰ্থ ইয়াৰ অৰ্থ এইটোৱেই নহয় যে আপুনি এজন বেয়া বা সদলোক হয়। যি কি নহওক, ইয়াত পাৰ্থক্যটো এইটোৱেই যে যেতিয়া ঈশ্বৰৰ এজন সন্তানে ক্লেশৰ সন্মুখীন , তেতিয়া আমি নিশ্চিত হওঁ যে আমি তেওঁৰ হাতত সুৰক্ষিত হৈ আছো।

আপোনাৰ অৱস্থা যিমানেই আশাহীন যেন হ'লেও, আপুনি অকলশৰীয়া নহয়। ঈশ্বৰে আপোনাৰ যত্ন লয়, আৰু আপোনাৰ জীৱন সংগ্ৰামৰ মাজতো তেওঁ আপোনাৰ সৈতে থাকিব। আপোনাৰ অসাধাৰণ বিশ্বাসক আজিয়েই ব্যৱহাৰ কৰক।

❖❖❖❖❖


## NEED LIBRARY BOOKS

We need Tamil, English and Hindi books for our Libraries at **St. Paul's Matriculation School and Nehemiah Bible Colleges.** If you have new or old books in good condition and if you are willing to donate, kindly communicate with us.

- Pr. S. Sam Selva Raj, Editor
+91-98412 71858

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

# URGENT

We need about 1000 Hindi Christian Books for our Nehemiah Bible Colleges. Please inform us the possibility of procuring the theological Hindi books.

- Pr. S. Sam Selva Raj, Editor
+91-98412 71858

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **S. Sam Selva Raj** |
| A/C No. | : | **1023 2934 679** |
| IFSC | : | **SBIN 00 00 249** |
| SWIFT CODE | : | **SBI NIN BB 455** |

### *2. Bank : ICICI Bank*

| | | |
|---|---|---|
| Branch | : | **Anna Salai, Chennai-6** |
| Name | : | **Echo of His Call** |
| A/C No. | : | **6038 0502 2319** |
| IFSC | : | **ICIC 000 6038** |

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **Echo of His Call Educational Trust** |
| A/C No. | : | **1023 2923 805** |
| IFSC | : | **SBIN 00 00 249** |

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th OCTOBER 2023
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers**, New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**